টি.জি.-ফেম চিৰিজ
(টাৰ্গেট গ্ৰুপলৈ বিত্তীয় সজাগতাৰ বাৰ্তা)




# বিত্তীয় সাক্ষৰতা



## কৃষকৰ

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ, ভাৰতীয় ৰিজাৰ্ভ বেংক

# কৃষকৰ বাবে বিত্তীয় সাক্ষ্যৰতা

| বাৰ্তা ১ |
|---|
| কিষাণ ক্ৰেডিট কাৰ্ড আঁচনি - প্ৰাথমিকভাৱে প্ৰয়োজনীয় শস্যৰ ঋণ আৰু আংশিক ভাৱে ভোগ কৰাৰ উদ্দেশ্যে |

| বাৰ্তা ২ |
|---|
| তাৎক্ষণিক ভাৱে শস্য ঋণ ঘূৰাই দিয়াৰ বহুতো সুবিধা আছে। |

| বাৰ্তা ৩ |
|---|
| কৃষিত উৎপন্ন দ্ৰব্যসমূহ লোকচান কৰি বিক্ৰী কৰাৰ পৰা বিৰত থাকক ৱেৰ হাউচৰ ৰচিদৰ ওপৰতো ঋণ দিয়া হয় |

| বাৰ্তা ৪ |
|---|
| শস্য বীমা - প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা (PMFBY) |

| বাৰ্তা ৫ |
|---|
| প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে আপোনাৰ শস্য নষ্ট হ'লেও আশা নেহেৰুৱাব—আপোনাৰ বেংকক শস্য নষ্ট হোৱাৰ বিষয়ে অৱগত কৰক আৰু বেংকৰ পৰা সহায় বিচাৰক |



কৃষাণ ক্ৰেডিট কাৰ্ড স্কিম- প্ৰাথমিকভাৱে শস্য ঋণ প্ৰদানৰবাবে আৰু আংশিকভাৱে অন্য আৱশ্যকীয় ব্যৱহাৰৰ বাবে

কৃষিপামত উৎপন্ন হোৱা দ্ৰব্যসমূহ যধেমধে কম মূল্যত বিক্ৰী নকৰিব। কৃষি চপোৱাৰ পাছত আৰ্থিক সাহায্যৰ বাবে ৱেৰহাউচ (গুদাম)ৰ ৰচিদ ব্যৱহাৰ কৰক। #

তাৎক্ষণিক ঋণ পৰিশোধ কৰাৰ বহুতো সুবিধা আছে—সুত ৰেহাই আঁচনি। *



আশা নেহেৰুৱাব আনকি যদি আপোনাৰ শস্যখিনি প্ৰাকৃতিক দুৰ্যোগৰ বাবে নষ্ট হৈ যায়—আপোনাৰ বেংকক শস্য নষ্ট হোৱাৰ বিষয়ে অৱগত কৰক আৰু তেওঁলোকৰ পৰা পুনৰ্গঠনৰ বাবে সহায় বিচাৰক

আপোনাৰ শস্যৰ বীমা কৰাওক আৰু নিৰাপদে থাকক। প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ দ্বাৰা শস্য বীমা কৰিব পাৰিব।

* সময়ে সময়ে ভাৰত চৰকাৰে ঘোষণা কৰা মতে

# কেৱল ক্ষুদ্ৰ আৰু উপায়ন্তৰ কৃষকৰ বাবে

## বাৰ্তা -১ : কৃষাণ ক্ৰেডিট কাৰ্ড আঁচনি প্ৰধানকৈ প্ৰয়োজনীয় কৃষি ঋণৰ বাবে আৰু আংশিকভাৱে কৃষকৰ অন্য ব্যৱহাৰৰ বাবে

**কৃষাণ ক্ৰেডিট কাৰ্ড** (KCC) আঁচনিখনৰ উদ্দেশ্য হৈছে সময়মতে, আৰু পৰ্যাপ্ত পৰিমাণে কৃষকসকলক কৃষিকাৰ্য্যত প্ৰয়োজনীয় ঋণৰ ব্যৱস্থা কৰা (কৃষিৰ বাবে প্ৰয়োজনীয় খৰচ) লগতে অন্যান্য অত্যাৱশ্যকীয় আনুসংগিক খৰচ পূৰণ কৰা। তাৰ বাবে সৰলীকৃত পদ্ধতিৰে যেতিয়াই প্ৰয়োজন হয় তেতিয়াই ঋণ গ্ৰহণ কৰিব পাৰে।

(১)



কৃষি কৰিবলৈ কম সময়ৰ বাবে প্ৰয়োজন হোৱা ধনৰ জোৰা মাৰিবৰ বাবে

(৬)



কৃষি আৰু আনুসংগিক কাৰ্যৰ বাবে বিনিয়োগ কৰিব লগা ধন, যেনে পাম্প চেট্‌, স্প্ৰেয়াৰ, ডাইৰীৰ জীৱ-জন্তু ক্ৰয় কৰা, ইত্যাদি

(২)



খেতি চপোৱাৰ পাছৰ ব্যয়




(৩)



উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে ঋণ

(৫)



কৃষকজনৰ ঘৰখন চলাবৰ বাবে প্ৰয়োজন হোৱা ধন


(৪)



কাম কৰাৰ মূলধন - ফাৰ্মৰ সম্পদসমূহ প্ৰতিপাল, কৃষিৰ আনুসংগিক কৰ্মৰ বাবে, যেনে গোপালন, ফিচাৰী ইত্যাদি

টোকা : ওপৰৰ ১ ৰ পৰা ৫ লৈ বিষয়বিলাকৰ মুঠ প্ৰয়োজনৰ বাবে হ্ৰস্বকালীন ঋণ আৰু ৬ নংৰ অন্তৰ্গত বিষয়সমূহত দীৰ্ঘকালীন ঋণ দিয়া হয়।

যেতিয়া KCC ৰ হ্রস্বকালীন ঋণৰ ১০ শতাংশ কৃষকৰ ঘৰুৱা প্ৰয়োজনত ব্যৱহাৰ কৰিব পাৰি; তাতোকৈ বেছি ঘৰুৱা প্ৰয়োজনত ব্যৱহাৰ কৰিব নালাগে।




# কিয় ?

KCC ঋণৰ উদ্দেশ্য হৈছে কৃষকৰ কৃষি কৰিবলৈ প্ৰয়োজন হোৱা খৰচ যোগান ধৰা সেয়েহে KCC ৰ ধনখিনিৰ বুজন পৰিমানে ঘৰুৱা প্ৰয়োজনত ব্যৱহাৰ কৰিলে আয় উপাৰ্জনৰ ক্ষমতা হ্রাস পাব। কৃষি-কৰ্মৰ পৰা হোৱা আয়ৰ পৰা KCC ঋণৰ ধাৰ মাৰিব পৰা যায়। যদি এই ঋণৰ ধন আপুনি কৃষি কৰ্মৰ বাহিৰে অন্য কামত ব্যয় কৰে তেতিয়া আপুনি ঋণৰ ধন ঘূৰাই দিব পৰা অৱস্থাত নাথাকিব।



## KCC ৰ বৈশিষ্ট্য

১) KCC ঋণ ধাৰকসকলক এটিএম-কাম-ডেবিট কাৰ্ড প্ৰদান কৰা হব যাৰ দ্বাৰা তেওঁলোকে KCC ৰ একাউন্টৰ পৰা এটিএম যোগে ধন উলিয়াব পাৰিব আৰু পি অ' এছ মেচিনৰ যোগেদি ধন আদায় দিব পাৰিব।

২) KCC এটা আৱৰ্ত্ত একাউন্ট হিচাপে চলি থাকিব। এই একাউন্টত জমা ধন আদায় দিব পাৰিব। ধন, থাকিলে, তাৰ ওপৰত চেভিংচ বেংক একাউন্ট হিচাপে সুত দিয়া হয়।

এক লাখ টকালৈকে ঋণ ল'বৰ বাবে কোনো চিকিউৰিটি দিব নালাগে।

## বাৰ্তা -২ ঃ শস্যঋণ তাৎক্ষণিকভাৱে পৰিশোধ কৰাৰ বহুতো লাভ আছে

বেংকৰ পৰা ধাৰ লোৱা



২০১৭ - ১৮ বৰ্ষত ৩ লাখ পৰ্য্যন্ত হ্ৰস্যকালীন শস্য ঋনৰ সুতৰ হাৰ মাত্ৰ ৪ শতাংশ (চৰকাৰে সময়ে সময়ে সুদৰ হাৰ ৰেহাইৰ কথা ঘোষণা কৰি থাকে।)*

---

পঞ্জীয়নবিহীন সংস্থা/ধন ধাৰে দিওঁতাৰ পৰা ধাৰে লোৱা



সুতৰ হাৰ বেছি, চিকিউৰিটি/মৰ্টগেজ প্ৰয়োজন হবও পাৰে, নহবও পাৰে।

---

সময়মতে ঋণ আৰু সুত পৰিশোধ কৰাৰ সুবিধা



→ ক্ৰেডিট স্ক'ৰ উন্নতি
→ পিছৰ বছৰ অধিক ঋণ লাভ
→ ঋণৰ ব্যয় হ্ৰাস

* ৪ শতাংশ সুদৰ হাৰ প্ৰযোজ্য হ'ব যদিহে বেংকে বান্ধি দিয়া নিৰ্দিষ্ট সময়ৰ ভিতৰত ঋণ পৰিশোধ কৰে আৰু কোনো কাৰণতে এটা বছৰ পাৰ কৰিব নোৱাৰিব।

## বাৰ্তা -৩ ঃ উৎপাদিত সামগ্ৰী যধেমধে বিক্ৰী কৰাৰ পৰা বিৰত থাকক ঃ গুদামৰ ৰচিদৰ ওপৰত ফাইনেন্সৰ সুবিধা লওক ।

আপোনাৰ শস্যৰ ভাল উৎপাদন হলেই নহব; আপুনি আপোনাৰ উৎপাদিত সামগ্ৰীসমূহ ভাল দামত বিক্ৰী কৰিব লাগিব।



**কম মূল্যত বিক্ৰী নকৰিব**

**ৱেৰ হাউচ (গুদাম) ব্যৱহাৰ কৰক ঃ**



যদি আপুনি অনুভৱ কৰে যে আপোনাৰ উৎপাদিত সামগ্ৰীসমূহৰ উচিৎ মূল্য লাভ কৰা নাই, তেতিয়া আপুনি আপোনাৰ সামগ্ৰীসমূহ ৱেৰ হাউচত জমা ৰাখি তাৰ ৰচিদ ল'ব—এই ৰচিদ বেংকত জমা দি আপোনাৰ তাৎক্ষণিক প্ৰয়োজনীয় ধন বেংকৰ পৰা লাভ কৰিব পাৰিব—KCC কাৰ্ড থকা ক্ষুদ্ৰ আৰু উপান্ত কৃষক সকলে ৱেৰহাউচ ৰচিদৰ যোগেদি শস্য চপোৱাৰ পৰা আৰু ৬ মাহ পৰ্য্যন্ত ৭ শতাংশ* ৰেহাই সুতৰ হাৰত ঋণ লাভ কৰিব।

*ভাৰত চৰকাৰে সুতৰ হাৰ সময়ে সময়ে ঘোষণা কৰি থাকে।

#ৱেৰ হাউচিং ডেভেলপমেণ্ট এণ্ড ৰেগুলেটৰী অৰ্থৰিটি (WDRA) ৰ মনোনীত ৱেৰহাউচৰ দ্বাৰা জাৰী কৰা

## বাৰ্তা -৪ ঃ শস্য বীমা - প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা (PMFBY)

**বৃস্তিত বীমা কভাৰ**

PMFBYয়ে কৃষিৰ ক্ষেত্ৰত হোৱা সকলোধৰণৰ লোকচান ব্যাপক বীমাৰ অধীনত সামৰি লোৱা হয় যাতে কৃষকজনৰ আয় সুনিশ্চিত হৈ থাকে আৰু তেওঁক নতুন নতুন কৃষিকৰ্ম কৰিবৰ বাবে উৎসাহিত কৰে।

**কম হাৰৰ প্ৰিমিয়াম ঃ**
PMFBYয়ে অতি কম হাৰৰ প্ৰিমিয়ামত শস্য বীমা কৰে যিটো ৰবি শস্যৰ বাবে সৰ্বাধিক মুঠ বীমাৰাশিৰ ১.৫ শতাংশ আৰু খাৰিফ শস্যৰ ক্ষেত্ৰত মুঠ বীমা ৰাশিৰ ২ শতাংশ-(খাদ্যশস্য, মাহজাতীয় শস্য আৰু তেলজাতীয় শস্য) আৰু বাৰ্ষিক উদ্যান শস্যৰ/ ব্যৱসায়িক কৃষিৰ বাবে মুঠ বীমাৰাশিৰ ৫ শতাংশ হয়। এই আঁচনিয়ে শস্যৰ বিভিন্ন স্তৰৰ আনকি বিশেষ ক্ষেত্ৰত শস্য চপোৱাৰ পাছৰ ৰিস্কও সামৰি লয়।

**প্ৰিমিয়ামৰ ভিন্নতা ঃ**
কৃষকে দিব লগা বীমা চাৰ্জৰ অতিৰিক্ত প্ৰিমিয়ামখিনি- কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত সমানে ভাগ হয়।



বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত শস্য উৎপাদন ক্ষতিগ্ৰস্ত হোৱাৰ ক্ষতিপূৰণ ঃ (১) বনজুই/ বজ্ৰপাতৰ ফলত শস্য নষ্ট হোৱা, (২) ধুমুহা, শিলাবৃষ্টি, ঘূৰ্ণীবতাহ, টাইফুন, টেম্পেষ্ট, হাৰিকেন, টৰ্ণাডো ইত্যাদি (৩) বানপানী, জলপ্লাৱন, ভূমিস্খলন (৪) খৰাং, খৰাংজনীত লোকচান (৫) কীট-পতংগ/ বেমাৰ ইত্যাদি। শস্য চপোৱা পাছত হোৱা লোকচান/ নিৰ্দিষ্ট অঞ্চলত হোৱা শিলাবৃষ্টি, ভূমিস্খলন, জলপ্লাৱনে ক্ষতিগ্ৰস্ত কৰা নটিফাইড অঞ্চলসমূহৰ ফাৰ্মসমূহ এই আঁচনিয়ে সামৰি লয়।

**তিনিটা স্তৰত ক্ষতিপূৰণ ঃ**
অঞ্চলটোৰ শস্য ৰিস্কৰ ওপৰত নিৰ্ভৰ কৰি ৭০%, ৮০%, ৯০% ক্ষতিপূৰণ সকলো শস্যৰ বাবে দিয়া হয়

**ঋণ লোৱা কৃষকৰ বাবে বাধ্যতামূলক ঃ**
KCC ধাৰক কৃষকসকলে বিশেষ শস্যৰ বাবে কৃষি ঋণ ল'লে শস্য বীমা কৰাটো বাধ্যতামূলক। ঋণ নোলোৱা সকলেও ইচ্ছা কৰিলে শস্য বীমা কৰাব পাৰে।



সুৰক্ষা - আৰ্থিকলোকচান বা বোজা আৰু আইনী দায়বদ্ধতাৰ ক্ষেত্ৰ ত সুৰক্ষা

## বাৰ্তা -৫ : প্ৰাকৃতিক দুৰ্যোগৰ বাবে আপোনাৰ শস্য নষ্ট হ'লেও আশা নেহেৰুৱাব — শস্য লোকচানৰ বিষয়ে বেংকক জনাওক আৰু বেংকৰ পৰা সাহায্য বিচাৰক



এবাৰ যদি কেন্দ্ৰীয়/ ৰাজ্য চৰকাৰে আপোনাৰ অঞ্চলটো প্ৰাকৃতিক দুৰ্যোগ যেনে, ঘূৰ্ণি বতাহ, খৰাং, ভূমিকম্প, জুই, বানপানী, চুনামী, শিলাবৃষ্টি, ধ্বংস, ডাৱৰ বিস্ফোৰণ, পোক-পতংগৰ আক্ৰমণ, শীতপ্ৰবাহ/ তুষাৰপাত আদি আক্ৰান্ত অঞ্চল বুলি ঘোষণা কৰে আৰু যদি শস্যৰ লোকচান ৩৩ শতাংশ বা ততোধিক বুলি হিচাপ কৰি উলিওৱা হয় তেতিয়া আপোনাক ঋণ দিয়া বেংকৰ শাখাই আপুনি প্ৰাকৃতিক দুৰ্যোগৰ বাবে ঋণ ঘূৰাই দিয়াৰ সামৰ্থ্য নথকাটো মানি ল'ব।

# বেংকে আপোনাৰ বাবে কি কৰিব পাৰিব

## হ্রস্বকালীন ঋণ (শস্য ঋণ)

সৰ্বোচ্চ ২ বছৰলৈ (এবছৰ বিলম্ব সময়কাল সহ) পৰিশোধৰ সময় বঢ়াই দিয়া হয়, যদি শস্যৰ ক্ষতি ৩৩% আৰু ৫০% ৰ ভিতৰত হয়; আৰু যদি শস্যৰ ক্ষতি ৫০% বা ততোধিক হয় ঋণ পৰিশোধৰ বৰ্ধিত সময়কাল সৰ্বোচ্চ ৫ বছৰলৈ বঢ়াই দিয়া হয় (লগতে এবছৰ বিলম্ব সময়কাল সহ)।




আপোনাৰ হ্রস্বম্যাদী ঋণৰ মূলধন আৰু সুদ টাৰ্ম লোনলৈ পৰিবৰ্তন কৰাহয়।

সকলোধৰণৰ পুনৰ্গঠনৰ লোণৰ ক্ষেত্ৰতে কম পক্ষেও ১ বছৰৰ বিলম্ব সময়কাল ধাৰ্য কৰা থাকে। তদুপৰি, বেংকবিলাকে এনে পুনৰগঠিত ঋণৰ ক্ষেত্ৰত দিয়াৰ সময়ত কোনোধৰণৰ অতিৰিক্ত সমান্তৰাল নিৰাপত্তা দাবী নকৰে।

কৃষিঋণ - দীৰ্ঘদিনীয়া (বিনিয়োগ) ঋণঃ
আপোনাৰ ঋণ পৰিশোধৰ ক্ষমতা আৰু প্ৰাকৃতিক দুৰ্যোগৰ প্ৰকাৰ আৰু প্ৰকোপৰ প্ৰতি লক্ষ্য ৰাখি চলিত টাৰ্ম লোনৰ কিস্তি পুনৰ নিৰ্ধাৰণ কৰা হয়।

প্ৰকৃতিৰ দুৰ্য্যোগৰ বাবে
যেতিয়া আপোনাৰ শষ্য নষ্ট হয়,
তেতিয়া আপুনি আপোনাৰ বেংকক
জনোৱা আৰু বেংকৰ পৰা সহায়
বিচৰাটো আপোনাৰ কৰ্তব্য

লক্ষ্য বিশেষীকৃত বিত্তীয় সাক্ষৰতা সামগ্ৰী

বিত্তীয় অন্তৰ্ভুক্তিৰ মধ্যকালীন পথৰ ওপৰত ভাৰতীয় ৰিজাৰ্ভবেংকৰ কাৰ্যকাৰী নিৰ্দেশক শ্ৰীদীপক মহান্তীৰ অধ্যক্ষতাত গঠিত সমিতিৰ এটা পৰামৰ্শ হৈছে' বিত্তীয় শিক্ষা নীতিৰ বাবে বিভিন্ন টাৰ্গেট গ্ৰুপৰ বাবে ভিন্ন ধৰণৰ বিত্তীয় শিক্ষাৰ প্ৰয়োজন হয়। ফলস্বৰূপে বিভিন্ন টাৰ্গেট গ্ৰুপৰ বাবে বিষয়বস্তু ভিন্ন ধৰণৰ হয়।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগে অনুকুলিত বিত্তীয় সাক্ষৰতাৰ বাবে বেলেগ বেলেগ টাৰ্গেট গ্ৰুপৰ বাবে যেনে - কৃষক, ক্ষুদ্ৰ উদ্যোগী, স্কুলীয়া ছাত্ৰ, আত্ম সহায়ক গোট আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে বেলেগ পাঠ্যক্ৰম যুগুত কৰিছে। এই কিতাপখন অনুকুলিত আৰ্থিক সাক্ষৰতাৰ বিষয়ে লিখা পাঁচ খন কিতাপৰ ভিতৰত এখন।

**সতৰ্কীকৰণঃ**

এই কিতাপখন পঢ়া আৰু শিক্ষণ সামগ্ৰী হিচাপে আগ বঢ়োৱা হৈছে যাতে পাঠকসকলক বিত্তীয় সাক্ষৰ কৰিব পাৰি। ইয়াৰ দ্বাৰা পাঠকসকলক কোনো বিশেষ ফাইনেন্সিয়েল প্ৰডাক্ট বা সেৱাৰ প্ৰতি উৎসাহিত কৰাৰ চেষ্টা কৰা হোৱা নাই।

**কপিৰাইতঃ**

প্ৰথম সংস্কৰণ, এপ্ৰিল, ২০১৮

উৎসৰ জ্ঞাতসাৰে পুনৰ মুদ্ৰণ কৰিব পাৰিব।

**লেখক আৰু প্ৰকাশকঃ**

বিত্তীয় অন্তৰ্ভুক্তি আৰু বিকাশ বিভাগ

ভাৰতীয় ৰিজাৰ্ভ বেংক

১০ ম মহলা, কেন্দ্ৰীয় কাৰ্যালয় বিল্ডিং

শ্বহীদ ভগত সিং মাৰ্গ

ফৰ্ট, মুম্বাই।

**কৃতজ্ঞতাঃ**

ডিজাইনঃ কৌশিক ৰামচন্দ্ৰণ

বিত্তীয় অন্তর্ভুক্তি আৰু বিকাশ বিভাগ
ভাৰতীয় ৰিজাৰ্ভ বেংক
১০ ম মহলা, কেন্দ্ৰীয় কাৰ্যালয়
মুম্বাই - ৪০০ ০০১, ভাৰত।